**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-08-2025 **Time :** 0755Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ সমাগত অসম ভ্ৰমণ সাফল্যমণ্ডিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে নুমলীগড়ত উদ্বোধন কৰিবলগীয়া আঠ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে দেশৰ প্ৰথমটো জৈৱ শোধনাগাৰ, মঙলদৈৰ পৰা আধাৰশিলা স্থাপন কৰিবলগীয়া গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্প, দৰং চিকিৎসা মহাবিদ্যালয় আৰু নাৰেংগী-কুৰুৱা দলঙৰ লগতে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত আয়োজন কৰা ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ উদ্বোধন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে বিস্তৃতভাৱে আলোচনা কৰে। ড০ শৰ্মাই অমিত শ্বাহৰ অসম ভ্ৰমণ সন্দৰ্ভতো প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী অহা ২৯ আগষ্টত গুৱাহাটীত নৱ-নিৰ্মিত ৰাজভৱন মুকলি কৰিব। তেওঁ সেই দিনাই পঞ্চায়ত সন্মিলনত অংশ লোৱাৰ উপৰি প্ৰয়াত মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানসমূহ সফল কৰি তোলাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। এই বৈঠকতে ৰাজ্যজুৰি আৰম্ভ হ'বলগীয়া সেৱা সপ্তাহ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০০০

তেজপুৰস্থিত শোণিতপুৰ জিলা আদালত প্ৰাংগনত অহা ১৩ ছেপ্তেম্বৰত বিশেষ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আয়োজিত এই লোক আদালতত মটৰ দুৰ্ঘটনা গোচৰ, দেৱানী গোচৰ, যান-বাহন আৰু আবকাৰি গোচৰ, আপোচযোগ্য ফৌজদাৰী গোচৰৰ উপৰি বকেয়া ধন, ভূমি অধিগ্ৰহণ, ১০৭ নম্বৰ ধাৰা, বেংক ঋণ, বি এচ এন এল, বিদ্যুৎ বিল, শ্ৰমিক সম্পৰ্কীয় আইনী ব্যৱস্থাৰ মাজলৈ নোযোৱাকৈ মীমাংসা কৰিব পৰা গোচৰ নিষ্পত্তি কৰা হ'ব। প্ৰাধিকৰণে লোক আদালতত অংশগ্ৰহণ কৰিবলৈ জিলাবাসীক আহ্বান জনাইছে।

০০০০০০০

গোলাঘাট জিলা কৃষি আৰু ৰাজহ বিভাগৰ উদ্যোগত কালিৰে পৰা জিলাখনৰ প্ৰতিটো কৃষি উন্নয়ন চক্ৰৰ গাঁওসমূহত **কৃষি ৰাজহ আদালত**ৰ আয়োজন কৰা হৈছে। জিলাখনৰ মুঠ ৬১ খন গাঁও সামৰি আয়োজন কৰা কৃষি ৰাজহ আদালতে বিশেষকৈ ভূমিৰ নামজাৰি সম্পৰ্কীয় সমস্যাৰ তৎকালীন সমাধান কৰি কৃষক পঞ্জীয়ন সুনিশ্চিত কৰাৰ বাবে কৃষক ৰাইজক সহায় কৰিব। সমগ্ৰ দেশ তথা ৰাজ্যৰ লগতে গোলাঘাট জিলাত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া দ্ৰুতগতিত আগবঢ়াই নিয়াৰ বাবে কৃষি তথা ৰাজহ বিভাগৰ যৌথ সহযোগত এই পদক্ষেপ লোৱা হৈছে। জিলাখনত বৰ্তমানলৈ ৩৭ হাজাৰ ৪৯২ গৰাকী কৃষকে কৃষক পঞ্জীয়ন প'ৰ্টেলত নিজৰ নাম পঞ্জীয়ন কৰাবলৈ সমৰ্থ হৈছে।

০০০০০

অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত শতবৰ্ষ মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলীত ১৬ নৱেম্বৰত সুৱাগ তোলা নামেৰে এটা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। মাজুলী জিলা সাহিত্য সভাৰ

উদ্যোগত হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে জিলা সাহিত্য সভাই বিভিন্ন সাংগঠনিক কাৰ্যসূচী আৰম্ভ কৰিছে। এই অনুষ্ঠান সফলভাৱে ৰূপায়ণ কৰিবলৈ আজি বিয়লি তিনি বজাত মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন ৰাজহুৱা সভাৰো আয়োজন কৰা হৈছে। এই সভাতে সুৱাগ তোলা অনুষ্ঠানৰ বাবে অভ্যৰ্থনা সমিতিও গঠন কৰা হ'ব। সভাত মাজুলী সাহিত্য জিলা সভাৰ বিভিন্ন শাখা আৰু প্ৰতিনিধিৰ লগতে বিভিন্ন ক্ষেত্ৰৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

ডিব্ৰুগড় জিলাৰ মাইজান ঠাকুৰবাৰীৰ লগতে কেইবাটাও অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াই বিস্তৰ ক্ষতি কৰিছে। গাঁওখনত বিগত  কিছুদিন ধৰি খহনীয়াই নৈপৰীয়া ৰাইজৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। যোৱা সপ্তাহত ব্ৰহ্মপুত্ৰৰ সোঁতে অঞ্চলটোৰ কেইবাটাও ঘৰ উটুৱাই নিয়ে। খহনীয়াৰ বাবে ঠাকুৰবাৰীৰ প্ৰায় অৰ্ধ শতাধিক নৈপৰীয়াক প্ৰশাসনে স্থানান্তৰ কৰিছে। শেহতীয়াকৈ মাইজানৰ খহনীয়াত বালিচৰত থকা এখন জাহাজ বুৰ যায়। খহনীয়াই ডিব্ৰুগড়ৰ সুৰক্ষা বান্ধৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। এই বান্ধ চিগি গ'লে নগৰখন বানৰ কবলত পৰাৰ আশংকাই দেখা দিছে। সমীপতে থকা মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ উপৰি অসম চিকিৎসা মহাবিদ্যালয় চৌহদ আৰু ডিব্ৰুগড় বিমান বন্দৰৰ প্ৰতিও খহনীয়াই তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে দিনে-নিশাই খহনীয়া প্ৰতিৰোধৰ বাবে চেষ্টা অব্যাহত ৰাখিছে।

জিলাখনৰ ডিটিপি ডাইকৰ ১ নম্বৰ সুৰক্ষা বান্ধৰ মাইজানৰ ঠাকুৰবাৰী এলেকাত জৰুৰীকালীনভাৱে বান-খহনীয়া প্ৰতিৰোধৰ কাম পূৰ্ণগতিত চলি আছে। জিঅ' বেগ আৰু পাৰ্কুপাইন ব্যৱস্থাৰে জৰুৰীকালীনভাৱে সেই স্থানত জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি খহনীয়াগ্ৰস্ত কেইবাটাও পৰিয়ালে ডিব্ৰুগড়ৰ জিলা আয়ুক্তক সাক্ষাৎ কৰি শীঘ্ৰেই খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা খৰতকীয়া কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ হত্যাকাৰী ৰিণ্টু শৰ্মাক ধেমাজিৰ জিলা আৰু ছেছন আদালতে মৃত্যু দণ্ডৰ ৰায় প্ৰদান কৰাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজ আনন্দিত হৈছে। মহাবিদ্যালয়খনত কালি সন্ধিয়াৰ ভাগত ছাত্ৰ একতা সভাই নন্দিতা শইকীয়াক সুঁৱৰি এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। নন্দিতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি ছাত্ৰীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰে।

আমাৰ আগত বাতৰিতে কোৱা হৈছে যে, ধেমাজিৰ জিলা আৰু ছেছন আদালতে কালি মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ হত্যাৰ গোচৰত অপৰাধী ৰিণ্টু শৰ্মাক মৃত্যু দণ্ডৰে দণ্ডিত কৰে। মুঠ ৪১ জন লোকৰ সাক্ষ্যৰ ভিত্তিত ৪ বছৰজোৰা বিচাৰৰ অন্তত জিলা আৰু ছেছন ন্যায়াধীশ কল্যাণজিৎ শইকীয়াই অভিযুক্ত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰে। কালি আদালতে দোষীৰ শাস্তি ঘোষণা কৰে। উল্লেখযোগ্য যে ৰিণ্টু শৰ্মাই ২০২১ চনৰ ২১ আগষ্টত পৰিকল্পিতভাৱে নন্দিতা শইকীয়াক আক্ৰমণ কৰিছিল। পৰৱৰ্তী সময়ত ধেমাজি আৰক্ষীয়ে এই গোচৰ সন্দৰ্ভত ৰিণ্টু শৰ্মাৰ বিৰুদ্ধে ৪০০ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। আদালতে ভাৰতীয় দণ্ডবিধিৰ ৩০২, ৩০৭, ৩২৬ আৰু ৩৪৭ নম্বৰ ধাৰাত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰে দণ্ডিত কৰে।

০০০০

**সমাপ্ত**